# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-09-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কাইলৈৰ পৰা ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কাইলৈ শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা ৯ বজাৰ পৰা হবলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে কাইলৈৰ পৰা কাৰ্যসূচী অনুষ্ঠিত কৰিব। ইয়াৰ উপৰি দেশে বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হব।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি পুৱা জালুকবাৰী ভূপেন হাজৰিকা সমাধিক্ষেত্ৰৰ পৰা এটা চাইকেল সমদল উলিওৱা হয়। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদিকা মঞ্জুলা হাজৰিকাই এই সমদল মুকলি কৰে। শিল্পীগৰাকীৰ জীৱনক লৈ নিৰ্মাণ কৰা ভূপেন দা আনকাট নামৰ এখন তথ্যচিত্ৰ আজি গুৱাহাটীৰ অনুৰাধা চিত্ৰগৃহত প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীত শিল্পীগৰাকীৰ পুত্ৰ তেজ হাজৰিকাৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। ড০ ভূপেন হাজৰিকাৰ জন্ম শত বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি সদৌ অসম ছাত্ৰ সন্থাই এখন স্মাৰক গ্ৰন্থও প্ৰকাশ কৰিব।

অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কোকৰাঝাৰ জিলা আৰু মাজুলী জিলা সমিতিয়ে আবৃত্তি কাৰ্যসূচীৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভ কৰে। কোকৰাঝাৰৰ সুধাকণ্ঠ কাননত ৩২গৰাকী আবৃত্তিকাৰে শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত আবৃত্তি কৰি শ্ৰদ্ধা নিবেদন কৰে। মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ত কেইবাশতাধিক আবৃত্তিকাৰে ড০ অমৰজ্যোতি চৌধুৰীৰ কবিতা মৃত্যু জিনাৰ গান আবৃত্তি কৰে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিমৌ সমজিলা প্ৰশাসনৰ সহযোগত ডিমৌ জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্পত কাইলৈ পুৱা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব।

ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কাইলৈ তিতাবৰ সমজিলা প্ৰশাসনৰ উদ্যোগত এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব।

ইপিনে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি ড° অমৰজ্যোতি চৌধুৰী ৰচিত মৃত্যু জিনাৰ গান কবিতাটি সমুহীয়াভাৱে আবৃত্তিৰ কাৰ্যসূচী লোৱা হয়। আজি মঙলদৈৰ জিলা পুথিভড়াল প্ৰেক্ষাগৃহতো এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooo

মৰাণ জনজাতীয় দল-সংগঠনৰ উদ্যোগত আজি তিনিচুকীয়া জিলাৰ কাকপথাৰত গণ সমাবেশৰ আয়োজন কৰা হয়। এই গণ সমাবেশত মৰাণ জাতীয় সংগঠন, অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ, মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ আৰু মৰাণ সাহিত্য সভাই শীঘ্ৰে মৰাণসকলৰ জনজাতিকৰণৰ দাবী উত্থাপন কৰে। কেইবা শতাধিক লোক সমবেত হোৱা এই গণসমাবেশত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক বঞ্চনা কৰা বুলিও অভিযোগ তোলে। তেওঁলোকে নিজাববীয়াকৈ জাতীয় গণ মঞ্চ শীৰ্ষক এটা ৰাজনৈতিক দলো গঠন কৰে। এই দলৰ বাবে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া হিৰণ্য কুমাৰ দহোটিয়াক সভাপতি আৰু মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ভোলেন বৰুৱাক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰা হয়।

ooooo

ধেমাজিৰ বিশিষ্ট সাহিত্যিক, গৱেষক ড° পুস্প গগৈলৈ শিৱসাগৰ জিলা সাংবাদিক সন্থাই ছহিদ পিয়লি ফুকন সোঁৱৰণি ৰাজ্যিক বঁটা আগবঢ়াইছে। প্ৰথমবাৰৰ বাবে শিৱসাগৰত জিলা সাংবাদিক সন্থাৰ বাৰ্ষিক অধিবেশনত এই বঁটা আগবঢ়োৱা হৈছে।

ooooo

আগৰতলাত অনুষ্ঠিত য়নেক্স উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত অসমে মুঠ ১১টা স্বৰ্ণ পদকেৰে প্ৰতিযোগিতা সামৰণি মাৰিছে। ডাবল্ছত তিনিটা সোণ লাভ কৰা অসমে প্ৰতিযোগিতাৰ মুকলি শাখাত মুঠ ৮টা সোণ অৰ্জন কৰে। উল্লেখযোগ্য যে পুৰুষ, মহিলা তথা ১৯ বছৰ অনুৰ্ধ্ব ল'ৰা আৰু ছোৱালীৰ প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত মুকলি শাখাৰ ১০খন ফাইনেলৰ ৯খনত অসমে প্ৰতিদ্বন্দ্বিতা কৰে আৰু ইয়াৰে ৮খনত সোণৰ পদক জয় কৰে। ছোৱালীৰ ছিংগল্ছ, ডাবল্ছ আৰু মিক্সড ডাবল্ছৰ পাঁচটা সোণ অসমৰ নবাগত খেলুৱৈসকলে অৰ্জন কৰে।

অসম দলৰ সফলতাৰ বাবে অসম বেডমিণ্টন সন্থাৰ সভাপতি তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই খেলুৱৈ, প্ৰশিক্ষক আৰু অন্যান্য সদস্যসকলক শুভেচ্ছা জনাইছে।

ooooo

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধীক্ষক মিলন নগৰ নিবাসী ডাঃ ৰবিন নাথ বৰাৰ আজি পুৰা ৮৫ বছৰ বয়সত দেহাৱসান ঘটে।

যোৰহাট জিলাৰ তিতাবৰৰ ভাগৰতীপাৰা নিবাসী বিশিষ্ট সমাজকৰ্মী হিতেশ্বৰ কলিতাৰ আজি বিয়লি নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৭ বছৰ।

ooooo

ঃঃ সমাপ্ত ঃঃ